জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪২/২০২০

## পুঠিমাৰী নৈৰ মথাউৰিৰ নিৰ্মাণ কাৰ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে
## ক'ভিড-১৯ ৰ সমান্তৰালভাৱে ৰাজ্যৰ সম্ভাব্য বান পৰিস্থিতি আৰু গৰাখহনীয়া মোকাবিলা কৰিবলৈ ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে সাজু ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কামৰূপ জিলাৰ আঠগাঁৱত উপস্থিত হৈ পুঠিমাৰী নৈৰ নিৰ্মীয়মান পথ তথা মথাউৰি প্ৰকল্প পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়।

প্ৰকল্পস্থলীত সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ ৰ সমান্তৰালভাৱে ৰাজ্যৰ সম্ভাব্য বান পৰিস্থিতি আৰু গৰাখহনীয়া মোকাবিলা কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজখন দীঘলীয়া হ'ব। সেইবাবে ৰাজ্য চৰকাৰে অৰ্থনৈতিক কাম-কাজ পুনৰ আৰম্ভ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতিবছৰে ৰাজখনৰ বিস্তীৰ্ণ এলেকা বানত প্লাৱিত হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে বান সমস্যা মোকাবিলা কৰাৰ বাবে যাৱতীয় সকলো ধৰণৰ পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

নিৰ্মাণ কাৰ্য অব্যাহত থকা ৪৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই প্ৰকল্পটোৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জলসম্পদ বিভাগ আৰু জিলা প্ৰশাসনক প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। প্ৰকল্পটোৰ কাম সম্পূৰ্ণ হ'লে ৰঙিয়া মহকুমাৰ এক বিস্তৃৰ্ণ অঞ্চলৰ জনসাধাৰণ বানপানীৰ কবলৰ পৰা ৰক্ষা পৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। লক্‌ডাউনৰ বাবে মথাউৰিৰ মেৰামতি আৰু নিৰ্মাণ কাৰ্যত সামান্য পলম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই কাম সময়মতে সম্পূৰ্ণ কৰাৰ বাবে জনসাধাৰণক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে মথাউৰিৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়ত শ্ৰমিকসকলে যাতে সামাজিক দূৰত্ব বজাই ৰখাৰ উপৰি স্বাস্থ্য বিভাগে দিয়া নীতি নিৰ্দেশাৱলী মানি চলে সেইটো সুনিশ্চিত কৰিবলৈ জলসম্পদ বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। অৰ্থনৈতিক কাম-কাজ পুনৰ আৰম্ভ কৰাৰ বাবে চৰকাৰে কিছু ক্ষেত্ৰত শিথিলতা আনিছে যদিও ক'ভিড-১৯ প্ৰতিহত কৰাৰ বাবে সামাজিক দূৰত্ব বজাই ৰখা, মাস্ক পৰিধান কৰা, হাত ধোৱা ইত্যাদি স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা মানি চলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বিশ্বজুৰি অতিমাৰীৰ ৰূপ লোৱা কৰ'না মহামাৰী প্ৰতিহত কৰাৰ বাবে আমাৰ ৰাজ্যখনৰ জনসাধাৰণে সম্পূৰ্ণ সহযোগিতা আগবঢোৱাৰ দৰে বানপানী আৰু গৰাখহনীয়া ৰোধৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত জনসাধাৰণে সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

পৰিদৰ্শনৰ সময়ত জলসম্পদ বিভাগৰ বিষয়াসকলে নিৰ্মাণ কাৰ্যৰ সবিশেষ মুখ্যমন্ত্ৰীক অৱগত কৰে। বিষয়াসকলে কয় যে প্ৰায় ৫৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কাৰ্য অব্যাহত থকা এই প্ৰকল্পটিত জিঅ' বেগৰ দৰে প্ৰযুক্তিও ব্যৱহাৰ কৰা হৈছে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত জলসিঞ্চন মন্ত্ৰী ভৱেশ কলিতা, সাংসদ দিলীপ শইকীয়া, কমলপুৰ সমষ্টিৰ বিধায়ক সত্যব্ৰত কলিতা, কামৰূপ জিলাৰ উপায়ুক্ত কমল কুমাৰ বৈশ্য তথা জলসম্পদ বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**০৭/৫/২০২০**